প্ৰান্তীয় ভাৱধাৰাই অৰ্থবিজ্ঞান বিশ্লেষণৰ বাবে শক্তিশালী আহিলাৰ যোগান ধৰে। এই ভাৱধাৰাই বিশ্লেষণত গাণিতিক আৰু চিত্ৰীয় কৌশল প্ৰয়োগ কৰিছে।

**প্ৰধান ধাৰণাসমূহ :** প্ৰান্তীয় ভাৱধাৰাৰ প্ৰধান ধাৰণাসমূহ হ'ল -

(1) প্ৰান্তীয় ভাৱধাৰাই অৰ্থনৈতিক বিশ্লেষণৰ ক্ষেত্ৰত 'প্ৰান্তীয়' অৱস্থাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। এই ভাৱধাৰা অনুসৰি সকলো অৰ্থনৈতিক সিদ্ধান্ত প্ৰান্তীয় অৱস্থাত গ্ৰহণ কৰা হয়। ৰিকাৰ্ড'ই কেৱল খাজনা নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত প্ৰান্তীয় ধাৰণাৰ প্ৰয়োগ কৰিছিল। তেওঁৰ মতে উৎপাদনত ব্যৱহাৰ কৰা স্থিৰ উপাদানৰ মালিকে পৰিৱৰ্তনশীল উপাদনৰ প্ৰান্তীয় উৎপাদনৰ ওপৰঞ্চি অংশটো খাজনা হিচাপে লাভ কৰে। কিন্তু প্ৰান্তীয় ভাৱধাৰাই এই প্ৰান্তীয় নীতি সকলো অৰ্থনৈতিক কাৰ্য্যকলাপলৈ সম্প্ৰসাৰণ ঘটায়।

উল্লেখযোগ্য মূল্য নিৰ্দ্ধাৰণ হ'ল অথনীতিবিদ সকলৰ মাজত আলোড়ন সৃষ্টি কৰা এক দীৰ্ঘদিনীয়া সমস্যা। মূল্য নিৰ্দ্ধাৰণক লৈ কিছুমান সাঁথৰবো প্ৰচলন আছে। ইয়াৰে জনপ্ৰিয় সাঁথৰটো হ'ল - পানীৰ ব্যৱহাৰিক মূল্য অধিক কিন্তু বিনিময় মূল্য কম। আনহাতে হীৰাৰ ব্যৱহাৰিক মূল্য কম বৰঞ্চ বিনিময় মূল্য যথেষ্ট বেছি। বিনিময় মূল্যৰ ক্ষেত্ৰত থকা এই পাৰ্থক্য উপযোগিতা ধাৰণাৰ সহায়ত সহজে ব্যাখ্যা কৰিব পাৰি। জে. বি. ছে' এ কৈছিল যে বতাহ আৰু পানীৰ ব্যৱহাৰিক উপযোগিতা ইমান বেছি যে

এইবিলাকৰ মূল্য অসীম, সেয়েহে এনে দ্ৰব্য আমি কিনিব নালাগে। পূৰ্বৰ অৰ্থনীতিবিদসকলৰ এই অসমৰ্থতাৰ মূল কাৰণ হ'ল - তেওঁলোকে মুঠ উপযোগিতা আৰু প্ৰান্তীয় উপযোগিতাৰ মাজত পাৰ্থক্য বিবেচনা কৰা নাছিল। বতাহ আৰু পানীৰ মুঠ উপযোগিতা যথেষ্ট বেছি হ'লেও এইবিলাকৰ প্ৰান্তীয় উপযোগিতা কম। আনহাতে হীৰাৰ ক্ষেত্ৰত প্ৰান্তীয় উপযোগিতা যথেষ্ট বেছি, যদিও ইয়াৰ মুঠ উপযোগিতা তুলনামূলকভাৱে কম। প্ৰান্তীয় উপযোগিতাত থকা পাৰ্থক্যৰ বাবেই হীৰাৰ মূল্য যথেষ্ট বেছি, কিন্তু পানীৰ মূল্য যথেষ্ট কম।

(2) প্ৰান্তীয় ভাৱধাৰাই সমষ্টিগত বিশ্লেষণৰ পৰিৱৰ্তে ব্যষ্টিগত বিশ্লেষণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। অৰ্থাৎ প্ৰান্তীয় ভাৱধাৰাই অৰ্থনৈতিক সমস্যাসমূহ সামূহিক দিশৰ পৰা ব্যাখ্যা কৰা নাই। ব্যক্তিগত ক্ৰেতা, ব্যক্তিগত বিক্ৰেতা, এবিধ দ্ৰব্যৰ দৰ, এখন প্ৰতিষ্ঠানৰ উৎপন্ন ইত্যাদি সিদ্ধান্ত গ্ৰহণৰ ওপৰতহে প্ৰান্তীয় ভাৱধাৰাই অধিক গুৰুত্ব আৰোপ কৰিছে। অন্য অৰ্থত প্ৰান্তীয় ভাৱধাৰাই আংশিক ভাৰসাম্যতা পদ্ধতিৰ ওপৰত ভিত্তি কৰি অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণ কৰিছে।

(3) প্ৰান্তীয় ভাৱধাৰাই সংস্থাপনবাদৰ বিমূৰ্ত্ত আৰু অনুমান ভিত্তিক বিশ্লেষণ পদ্ধতি প্ৰয়োগ কৰিছে।

(4) প্ৰান্তীয় ভাৱধাৰা পূৰ্ণ প্ৰতিযোগিতাৰ পূৰ্বচৰ্তৰ ওপৰত প্ৰতিষ্ঠিত। এই চৰ্ত অনুসৰি দ্ৰব্য বা উপাদানৰ বজাৰত বৃহৎ সংখ্যক ক্ৰেতা আৰু বিক্ৰেতাৰ সমাহাৰ ঘটিব। কোনো ক্ৰেতা বা বিক্ৰেতাই ব্যক্তিগতভাৱে মুঠ উৎপন্নৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰে। অৰ্থাৎ বজাৰ চালিকা শক্তিৰ দ্বাৰা অৰ্থনৈতিক সিদ্ধান্ত গ্ৰহণ কৰা হয়। ব্যক্তিগত কাৰ্যকলাপৰ দ্বাৰা ক্ৰেতা বা বিক্ৰেতাই বজাৰত হোৱা সিদ্ধান্তৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰে।

(5) সংস্থাপনবাদী ভাৱধাৰাই উৎপাদন ব্যয় তথা দ্ৰব্যৰ যোগানৰ দিশৰ পৰা মূল্য নিৰ্দ্ধাৰণৰ সমস্যাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। অৰ্থাৎ সংস্থাপনবাদী ভাৱধাৰা অনুসৰি দ্ৰব্যৰ যোগানেইহে মূল্যৰ প্ৰধান নিৰ্দ্ধাৰক। আনহাতে প্ৰান্তীয় ভাৱধাৰা অনুসৰি মূল্য নিৰ্দ্ধাৰণৰ প্ৰধান নিৰ্দ্ধাৰক হ'ল চাহিদা।

(6) প্ৰান্তীয় ভাৱধাৰাৰ অৰ্থনৈতিক অধ্যয়ন মনস্তাত্ত্বিক তথা মনোবৈজ্ঞানিক

(Subjective) বিশ্লেষণৰ ওপৰত প্ৰতিষ্ঠিত। আনহাতে সংস্থাপনবাদী ভাৱধাৰাৰ অৰ্থনৈতিক অধ্যয়ন বৈষয়িক (Objective) বিশ্লেষণৰ ওপৰত প্ৰতিষ্ঠিত।

(7) প্ৰান্তীয় ভাৱধাৰাৰ বিশ্লেষণত ব্যক্তিৰ বিবেচনাপূৰ্ণ আচৰণৰ পূৰ্বচৰ্ত গ্ৰহণ কৰা হয়। অৰ্থাৎ প্ৰান্তীয় ভাৱধাৰাই ধৰি লয় যে প্ৰতিজন ব্যক্তিয়ে ভোগৰ ক্ষেত্ৰতে হওক বা উৎপাদনৰ ক্ষেত্ৰতে হওক নিজৰ উপযোগিতা সৰ্বাধিক কৰিবলৈ চেষ্টা কৰে। বিভিন্ন দ্ৰব্য বা উপাদান ক্ৰয় কৰোঁতে প্ৰত্যেকৰে পৰা লাভ কৰা প্ৰান্তীয় উপযোগিতাৰ মাজত ব্যক্তিয়ে সমতা ৰক্ষা কৰিবলৈ চেষ্টা কৰে।

(8) প্ৰান্তীয় ভাৱধাৰাই বিশ্বাস কৰে যে মুক্ত অৱস্থাত বজাৰ চালিকা শক্তিয়ে স্বয়ংক্ৰিয়ভাৱে ভাৰসাম্যতা ৰক্ষা হোৱাত সহায় কৰে আৰু এই ভাৰসাম্য অৱস্থাতে অৰ্থনৈতিক সিদ্ধান্তসমূহ গ্ৰহণ কৰা হয়।

(9) প্ৰান্তীয় ভাৱধাৰাৰ সমৰ্থক সকলে সংস্থাপনবাদৰ অবাধ বাণিজ্য নীতি বা ব্যক্তিৰ স্বতন্ত্ৰতা নীতি সমৰ্থন কৰে।

## 17.3: মনস্তত্ত্ববাদী / আত্মনিষ্ঠ ভাৱধাৰা : [Subjectivism]

অষ্ট্ৰিয়ান ভাৱধাৰাৰ প্ৰসংগত উত্থাপন হোৱা আন এটা ভাৱধাৰা হ'ল মনস্তত্ত্ববাদী ভাৱধাৰা। এই ভাৱধাৰাৰ প্ৰকৃতি জনাৰ পূৰ্বে বস্তুবাদী ভাৱধাৰা আৰু মনস্তত্ত্ববাদী ভাৱধাৰাৰ মাজত থকা পাৰ্থক্য বিবেচনা কৰা হওক।

### বিষয়নিষ্ঠ ভাৱধাৰা আৰু আত্মনিষ্ঠ ভাৱধাৰা :

সংস্থাপনবাদী ভাৱধাৰাক সাধাৰণতে বিষয়নিষ্ঠ ভাৱধাৰা বোলা হয়। কাৰণ এই ভাৱধাৰা দ্ৰব্যৰ যোগান তথা উৎপাদন ব্যয়ৰ দিশৰ পৰা অৰ্থনৈতিক সিদ্ধান্ত কৰা হয়। বস্তুবাদী ভাৱধাৰাই অৰ্থনৈতিক বিশ্লেষণত ব্যক্তিৰ বাবে প্ৰাপ্ত নোহোৱা সামাজিক আৰু পাৰিবেশিক কাৰকক বিশ্লেষণৰ প্ৰাথমিক আধাৰ হিচাপে গ্ৰহণ কৰে। আনহাতে আত্মনিষ্ঠ ভাৱধাৰাই মানুহ আৰু মানুহৰ মানসিক অৱস্থাৰ লগত জড়িত কাৰকসমূহক বিশ্লেষণৰ আধাৰ হিচাপে গ্ৰহণ কৰে।

ৰিকাৰ্ড' আৰু আদিছোৱাৰ সমাজবাদী চিন্তাবিদসকলে বিষয়নিষ্ঠ বিশ্লেষণৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। বিষয়নিষ্ঠতাৰ এই প্ৰাধান্যতাৰ বাবেই ৰিকাৰ্ড'